**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-11-2024
**Time :** 2125 Hrs

***Assamese Night Bulletin***
**-----------------------**

৫০ বছৰজোৰা হিংসাত্মক পৰিস্থিতিৰ পাছত বড়োলেণ্ডত শান্তি আৰু সম্প্ৰীতিৰ পৰিৱেশ গঢ় লৈ উঠিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত বড়োলেণ্ড মহোৎসৱ উদ্বোধন কৰি দিয়া ভাষণত প্ৰকাশ কৰে। তেওঁ কয়, যে বড়ো শান্তি চুক্তিয়ে উত্তৰ-পূৰ্বাঞ্চলত অন্যান্য বহু শান্তি চুক্তিৰ বাবে পথ মুকলি কৰি দিলে। হিংসাত্মক পন্থা অৱলম্বনে কোনো সমস্যাৰ সমাধান নিদিয়ে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ২০২০ চনত বড়ো শান্তি চুক্তিৰ পাছত কোকৰাঝাৰৰ জনসাধাৰণে তেওঁৰ প্ৰতি দেখুওৱা মৰম আৰু আন্তৰিকতাক তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। বিগত ৪ বছৰত বড়ো ভূমিত হোৱা উন্নয়নে তেওঁক সন্তুষ্টি দিছে বুলিও শ্ৰী মোদীয়ে মন্তব্য কৰে। উল্লেখযোগ্য যে নতুন দিল্লীৰ কে ডি যাদৱ ৰেষ্টলিং ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে আজিৰে পৰা দুদিনীয়াকৈ বড়োলেণ্ড মহোৎসৱ অনুষ্ঠিত হৈছে। নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, গান্ধী হিন্দুস্তান সাহিত্য সভা আৰু বড়ো সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা বিটিআৰ প্ৰশাসনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। বড়োভূমিৰ কলা-সংস্কৃতি, ভাষা সাহিত্যৰ ভিন্ন দিশ প্ৰতিফলিত কৰাৰ উপৰি অঞ্চলটোৰ প্ৰতিষ্ঠা হোৱা শান্তিৰ পৰিৱেশ চিৰস্থায়ী কৰাৰ লক্ষ্যৰে এই মহোৎসৱ অনুষ্ঠিত হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লয়। কাইলৈ বড়ো সাহিত্য সভাৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হ'ব। এই উপলক্ষে ৰাজঘাটৰ পৰা ইণ্ডিয়া গে'টলৈ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। কাইলৈ বিয়লি হ'বলগীয়া শিক্ষা সম্পৰ্কীয় আলোচনাচক্ৰত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ লগতে কেইবাগৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। বিয়লি ৫ বজাত সাংসদ ৰণগৌৰা নাৰ্জাৰীৰ অধ্যক্ষতাত সংস্কৃতি আৰু পৰ্যটন বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত উত্তৰ-পূৰ উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, প্ৰমুখ্যে বহুলোকে অংশগ্ৰহণ কৰিব।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। মাজুলীৰ ৬৫ খন ঠাইত ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। দেশ-বিদেশৰ বিভিন্ন প্ৰান্তৰ লোক এই মহোৎসৱৰ আনন্দ উপভোগ কৰিবলৈ নদীদ্বীপটোত উপস্থিত হৈছে। ৰাস মহোৎসৱৰ আটাইকেইটা দিনতে ফেৰী যাত্ৰীসকলৰ সুবিধাৰ্থে যোৰহাটৰ নিমাতীঘাট আৰু মাজুলী সংযোগী ফেৰীসেৱা অধিক সুচল, নিৰাপদ আৰু শৃংখলিত কৰিবলৈ ৰাজ্য চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগে বিশেষ ব্যৱস্থা লৈছে। পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই ৰাসৰ সময়ছোৱাত ফেৰীৰ যাত্ৰাৰ খেপ বৃদ্ধি কৰাৰ লগতে এই যাত্ৰা নিৰাপদ আৰু শৃংখলিত কৰিবলৈ ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ দিছে। এই অনুসৰি এই দিনকেইটাত নিয়মীয়া ফেৰী সেৱাতকৈ তিনিগুণলৈ বৃদ্ধি কৰাৰ

লগতে পুৱা ৭ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ আধা ঘণ্টাৰ বিৰতিত নিমাতীঘাট-মাজুলী সংযোগী ফেৰী চলাচলৰ ব্যৱস্থা কৰা হৈছে।

নলবাৰীত ৰাস মহোৎসৱ উপলক্ষে আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। এই মহোৎসৱৰ লগতে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই নলবাৰীৰ হৰিমন্দিৰৰ ৰাসখলাত আয়োজন কৰা গ্ৰন্থমেলা কাইলৈ মুকলি কৰা হ'ব। ওড়িশাৰ বিশিষ্ট সাহিত্যিক সুভাষ চন্দ্ৰ শতপথীয়ে এই মেলা আনুষ্ঠানিকভাৱে মুকলি কৰিব। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতা উপস্থিত থাকিব। ৰাজ্যখনৰ কেইবাখনো আগশাৰীৰ গোষ্ঠীয়ে এই গ্ৰন্থমেলাত বিপণী মুকলি কৰিব।

ooooo

বঙাইগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা ক্ৰীড়া বিভাগৰ সহযোগত কাইলৈৰ পৰা জিলাখনত খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ আৰম্ভ হ'ব। দাংতল উন্নয়ন খণ্ডৰ টেঙাইগাঁও গাঁও পঞ্চায়তত টেঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত শুভাৰম্ভণি খেলৰ আয়োজন কৰা হৈছে। ১৭ নৱেম্বৰত মাণিকপুৰ উন্নয়ন খণ্ডত, ১৮ নৱেম্বৰত সৃজনগ্ৰাম উন্নয়ন খণ্ডত, ১৯ নৱেম্বৰত তাপাত্তাৰি উন্নয়ন খণ্ডত, ২০ নৱেম্বৰত বৈতামাৰী উন্নয়ন খণ্ডত আৰু ২১ নৱেম্বৰত বঙাইগাঁও পৌৰ সভাৰ ৱাৰ্ডত খেল মহাৰণৰ আৰম্ভণিৰ খেল অনুষ্ঠিত হ'ব। বঙাইগাঁও পৌৰ সভাৰ অধীনত হ'বলগীয়া খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ খেল বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব। উন্নয়ন খণ্ড অনুসৰি প্ৰশিক্ষকসকলক দায়িত্ব অৰ্পণ কৰা হৈছে।

আজিলৈকে এক লাখ ৮৫ হাজাৰ ৩৯১ গৰাকী খেলুৱৈয়ে খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ অংশগ্ৰহণৰ বাবে অনলাইন পঞ্জীয়ন কৰিছে। এইবাৰ মুঠ সাতবিধ খেল অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰথম পৰ্যায়ত গাঁও পঞ্চায়ত আৰু পৌৰ সভা, দ্বিতীয় পৰ্যায়ত বিধানসভা আৰু তৃতীয় পৰ্যায়ত জিলা ভিত্তিত খেল অনুষ্ঠিত হ'ব।

ooooo

গুৱাহাটীৰ অসম সাহিত্য সভা ভৱনৰ লক্ষ্মীৰাম বৰুৱা সদনত পৰহিলৈ সাহিত্যিক ড০ সাঁৱৰমল সাংগানেৰীয়াই লিখি উলিওৱা আৰু নেচনেল বুক ট্ৰাষ্টে প্ৰকাশ কৰা দুখন গ্ৰন্থ উন্মোচন কৰা হ'ব। এই অনুষ্ঠানত গুৱাহাটীৰ কামাখ্যাৰাম বৰুৱা ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অনিল বৰালৈ শিৰসহায় সাঁৱৰমল সাংগানেৰীয়া সাহিত্য বঁটা ২০২৪ আগবঢ়োৱা হ'ব।

ooooo

অসমৰ প্ৰতিভাৱান টেনিছ খেলুৱৈ ফাগুন জ্যোতিয়ে ৰাষ্ট্ৰীয় ৰেংকিং প্ৰতিযোগিতা আইটা চেম্পিয়নশ্বিপ ছিৰিজ টেনিছত ছোৱালীৰ ১৪ বছৰ অনূৰ্ধ্বৰ ডাবলছ শাখাত খিতাপ লাভ কৰাৰ বিপৰীতে ১২ বছৰ অনূৰ্ধ্বৰ একক শাখাত ৰাৰ্ণাছআপ হৈছে। হাৰিয়ানাৰ ৰোহটকত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল।

ooooo

ফ্ৰান্সৰ জোহান্সবাৰ্গত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেলত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আমালৈ বাতৰি অহাৰ পৰলৈকে ভাৰতে ৯ অভাৰ এটা বলত এটা উইকেট হেৰুৱাই ১২১ ৰান সংগ্ৰহ কৰি খেলি আছিল।

ooooo

সমাপ্ত